# ভ্ৰমণ-বিৰতি

এই যে অৰ্থহীন ধ্বংসলীলা, এই যে কাণ্ডজ্ঞানহীন মাথা ফাটাফাটি, য'তে ত'তে যি কোনো অচিলাত এই ট্ৰাম-বাছত অগ্নিসংযোগ, এই যে চাৰিওপিনে থাকি থাকি অকস্মাৎ একোটা দাঙ্গা-হাঙ্গামা উৎক্ষিপ্ত, চাৰিওপিনে মৰিয়া হৈ মানুহ দৌৰিছে, এই যে অকস্মাৎ সুদীৰ্ঘ চাইৰেনধ্বনি আৰু পুলিচৰ গাড়ী, লাঠি আৰু টিয়াৰ্-গেচ আৰু গুলীৰ হিড়িক, সেই যে বুঢ়া মানুহটো ৰাস্তাত মুখ থেকেচা খাই পৰিল, সেই যে সৰু ল'ৰাটোৰ ভৰিত গুলী লাগি বিকট চিৎকাৰ কৰি ফুটপাথত চিটিকি পৰিল— এইবোৰ, এইবোৰ চাবলৈ মই বাৰে বাৰে কিয় ইয়ালৈ আহোঁ, এইবোৰৰ মই কোনো যুক্তি বিচাৰি নাপাওঁ, তথাপি কিয় ইয়ালৈ ঘূৰি ঘূৰি আহোঁ, এইবোৰৰ মই কোনো মানে নেদেখোঁ, এইবোৰ মই সহ্য কৰিব নোৱাৰোঁ, মোৰ কাম আছে, মই ব্যস্ত মানুহ, কিন্তু অকস্মাৎ লালঝাণ্ডাৱালা যুৱক দলৰ হাতত মোৰ টেক্সি আটক, মোৰ সমস্ত কাম পণ্ড, আমাৰ ট্ৰাম হঠাৎ ৰৈ গ'ল, হাজাৰ হাজাৰ শ্ল'গান-চিঞৰা উদণ্ড মানুহে ট্ৰাম ঘেৰি ধৰিলে, ক'ৰপৰা আহিল পেট্ৰলৰ টিং, ক'ৰপৰা আহিল মস্ত মস্ত ইটা আৰু লোহাৰ ডাণ্ডা, কি যে হৈ গ'ল চাওঁতে চাওঁতে দ্ৰুতবেগে, দপ্‌দপ্‌কৈ ট্ৰাম জ্বলিছে, ধোঁৱা আৰু জুইৰ মাজেৰে চিঞৰ-বাখৰ লগাই মানুহ ছত্ৰভঙ্গ দিছে, চাৰিওপিনৰ দোকানবোৰৰ দৰজা দুমদাম বন্ধ হৈ গ'ল, কাৰ মূৰত লাঠিৰ ঘা পৰিল, ক'ৰ কাঁচ ঝন্‌ঝন্‌কৈ ভাঙি পৰিল, বিশৃঙ্খল, বিশৃঙ্খল, 'পালান পালান মশাই কি দেখছেন—'

"মোৰ ছাতি— মোৰ ছাতিটো থাকি গ'ল—যাঃ", হঠাৎ ৰৈ গৈ পিছপিনে চাই চাই শীলাই ক'লে।

"ছাতি? পাগল নেকি? বলা—বলা—ক'লৈ নিবা—"

মোৰ হাতত টানি প্ৰায় দৌৰি দৌৰি শীলাই কিছুদূৰৰ ফাৰ্মাচী এখনৰ সমুখত হাজিৰ কৰালে— "এইখনেই, মই চিনি পাওঁ", শীলাই ক'লে, আৰু দুয়ো দুৱাৰমুখত ৰৈ ফোপাব ধৰিলোঁ। ক্ষীণকায় এজন চছমা পিন্ধা ডেকা ল'ৰাই লোহাৰ কলাপ্‌চিব্‌ল্ গে'টখন বন্ধ কৰিব ধৰিছিল, শীলাই চিঞৰি উঠিল, "ৰব—ৰব— এক মিনিট—প্লীজ্—"



ল'ৰাজনে এবাৰ সচকিতভাৱে আমাৰ পিনে চালে আৰু ভিতৰৰ পিনে চাই ক'লে, "মেয়েছেলে আছে—"

"ভেতৰে আসতে দাও", ভিতৰৰপৰা এটা মোটা গলাই ক'লে।

ল'ৰাজনে গে'টখন আৰু এক ইঞ্চিমান মেলি ধৰি একাষৰীয়া হৈ থিয় দিলে, মই ইতস্ততঃ কৰিব ধৰিলোঁ, শীলাই মোৰ হাতত এটা টান মাৰি ক'লে, "আহা—আহা—তুমি আৰু ইয়াত বাহিৰত ৰৈ থাকি বীৰত্ব কৰিব নালাগে—আহা-না", আৰু মই শীলাৰ পাছে পাছে কোঁচখাই কোনোমতে ভিতৰ সোমালোঁ, সোমাওঁতে সোমাওঁতে এবাৰ লৰালৰিকৈ দূৰলৈ চাই পঠিয়ালোঁ—দূৰত ট্ৰামখন তেতিয়াও দপ্‌দপ্‌কৈ জ্বলিছে, তাৰ লগত আৰু দুখনমান মটৰগাড়ী জ্বলিছে, জুইৰ ইতস্ততঃ ৰঙচুৱা শিখা এতিয়াও মনিব পাৰি, ৰাশি ৰাশি ক'লা ধোঁৱা, এতিয়াও চাইৰেন বাজি চলিছে, ঠং ঠং ঘণ্টাৰ শব্দ দূৰৰপৰা মাজে মাজে ক্ষীণ আৰু মাজে মাজে উচ্চ, ফায়াৰ ব্ৰীগেডৰ গাড়ী, হ'জ্-পাইপ খুলিব ধৰিছে, প্ৰকাণ্ড বহল ৰাস্তা মেজিকৰ দৰে জনহীন, ৰাস্তাময় শিলগুটি আৰু ইটা আৰু কাঁচ আৰু চিটিকি পৰা চাইকেল আৰু ঠেলাগাড়ী, কোনোবাই হৱাই-চেণ্ডেল আৰু কোনোবাই ব্ৰীফকেচ ৰাস্তাত পেলাই থৈ পলাইছে, জ্বলন্ত যানকেইখনৰ চাৰিওকাষে মাথোঁ খাকী পোছাক আৰু বগা পোছাক, চাৰিওপিনৰ চাতবোৰৰপৰা বাৰাণ্ডাবোৰৰপৰা খিৰিকিবোৰৰপৰা কৌতূহলী সন্ত্ৰস্ত মুখৰ জুম, সমস্ত যান-প্ৰবাহ বন্ধ, কোনোবাই হুইচেল মাৰিছে, অইন সকলো গণ্ডগোল অকস্মাৎ বিলুপ্ত—

ফাৰ্মাচীৰ ঔষধবোৰৰ মাজত ধুতী আৰু গেঞ্জি পিন্ধা এজন তপামূৰীয়া মানুহ, বোধহয় মালিক, তেওঁ বহিব দিলে আৰু শীলাৰ পিনে চাই ক'লে, "ট্ৰামত আছিলা?"

"হয়"

"কি হৈছে গম পালা কিবা—?"

"না—ই, একো বুজিয়েই নাপালোঁ, কথা নাই, বাৰ্তা নাই, অল্ অফ্ এ' চাড্‌ন দেখোন—"

"অ, সেইৰকমেই হয়", তেওঁ ক'লে, "কোন ক'ত ক্ষেপি আছে কিছু বুজাৰ উপায় নাই আজি-কালি, দুম্‌কৈ হঠাৎ ফাটি পৰে। হৰদমতো আজি-কালি সেয়ে ঘটিছে—সাৰা দেশ ক্ষেপি গৈছে—"

তেওঁ আৰু বাক্যব্যয় নকৰি হাতৰ চছমাযোৰ পিন্ধি লৈ খবৰৰ কাগজ এখনত মন দিলে, বোধহয় এনেকুৱা ঘটনা তেওঁৰ অভ্যাস হৈ গৈছে। কেটেঙা ডেকা ল'ৰাজনে টুল এখনত বহি দৰজাৰ ফাঁকেৰে বাহিৰলৈ চাই ৰ'ল আৰু ক'ল্ড্-ক্ৰীমৰ বিজ্ঞাপনৰ আইনা

এখনত চাই শীলাই চুলি ঠিক কৰিব ধৰিলে আৰু বেগৰপৰা ক্ষুদ্ৰ ৰুমাল এখন উলিয়াই মুখৰ ঘাম টুকিব ধৰিলে। পঢ়োতে পঢ়োতে মানুহজনৰ মুখত কিবা এটা খেলালে, তেওঁ মুখ তুলি মোৰ মুখৰ পিনে চাই কিবা এটা ভাবিলে, তাৰ পিছত ক'লে, "চাৰা দেশ ক্ষেপি গেছে— ডে'থ্ ইউশ্, বুঝলেন না?"

"ডে'থ্ উইশ্?" মই আচৰিত হৈ ক'লোঁ।

"আছে, আছে, আছে, হঠাৎ অলি-গলি-খুপৰি-গুম্‌টিৰপৰা জাক জাক মানুহ আবিৰ্ভাব হৈ মৰিয়া হৈ গোলাগুলি বোমা-বাৰুদৰ মাজলৈ উন্মত্ত হৈ ছুটি গৈছে, জানে যি কোনো মুহূৰ্তত নিজেও মৰি যাব পাৰে— ডে'থ্ উইশ্ ছাড়া আৰ কি?"

"অঃ, আপুনি সেইটো কৈছে?" মই সৌজন্যৰ খাতিৰত ক'লো।

"অ— আৰু আমাৰো চবৰে বোলে মৰিবৰ এটা বাসনা থাকে মনে মনে, চব সময় থাকে— চাইকলজিৰ কথা দেই, মোৰ কথা নহয়— সেইটোও এটা কলিকতা চহৰত যেন বাসনা পূৰ্ণ কৰাৰ চব এৰে'ঞ্জমেন্ট্ কৰি থোৱা আছে— কোন মুহূৰ্তত এই মৃত্যুৰ বাসনা পূৰ্ণ হৈ যায় কোনো পাত্তা নাই— চলোতে চলোতে ৰাস্তাৰ মোৰ ঘূৰিলে, আহি সোমাল ক'ৰবাৰপৰা পিঠিত ইয়া লম্বা ছুৰী, মাথাত আহি পৰিল ক'ৰবাৰপৰা লাঠিৰ পিট্টন, ভৰিৰ তলতে ফুটিল ক'ৰবাৰ এটা বোমা-বুম্-বাচ্ দি এ'গু, ডে'থ্-উইশ্ ফুলফিল্ড—"

মানুহজনে চছমাযোৰ খুলি এটা ভঙ্গী দিলে আৰু আমাৰ পিনে চালে। কি ক'ম ভাবি নাপালোঁ। খবৰৰ কাগজখন জাপিব আৰম্ভ কৰি তেওঁ আকৌ ক'লে, "তবে, অলপ মডিফিকেশান দৰ্কাৰ থিয়ৰিটোৰ, এই ডে'থ্-উইশ্‌বোৰ অকল নিজৰ নিজৰ ডে'থ্-উইশ্ নহয়, অন্য মানুহৰো ডে'থ্-উইশো বটে। অৰ্থাৎ, নিজেও মৰি যোৱা যদি দৰ্কাৰ হয়, আৰু তোমাক-মোক যাকে পোৱা তাকো মাৰি পেলোৱা—বৰং কোৱা যায়, গিফ্‌ট্-অফ্-ডে'থ্, মৃত্যু উপহাৰ দিয়াৰ ইচ্ছা, বুঝলেন না? তা, এতিয়া তোমালোকে যাবা কেনেকৈ বুলি ভাবিছা?"

ডেকা ল'ৰাজনে ক'লে যে ৰাস্তাত এতিয়া দুই এজন মানুহ চুচুক-চামাককৈ ওলাব আৰম্ভ কৰিছে, দুই এখন গাড়ীও চলিব আৰম্ভ কৰিছে। এইখিনি ৰাস্তা কোনোমতে পাৰ হৈ যাব পাৰিলে মদন ষ্ট্ৰীটৰ মোৰত টেক্সি পোৱা যাব—

প্ৰায় আৰু পাঁচ মিনিটমান এনেকৈ বহি ৰলোঁ, তাৰ পিছত তেওঁলোকক ধন্যবাদ জনাই সন্তৰ্পণে আকৌ বাহিৰ ওলালোঁ। তেতিয়াও ৰাস্তা জনহীন, মাথোঁ ফাৰ্মাচীখনৰ পোনে পোনে এজন অকলশৰীয়া কনিষ্টবল হাতত লাঠি লৈ, উৎকণ্ঠিতভাৱে ঘৰবোৰৰ



চাতলৈ চাইছে (না জানি ক'ৰ এচিড্ বাল্বৰ হয়তো আহি পৰিব মুখত অতৰ্কিতে), কাৰেবে ছচ্ ছচ্ কৰি দুখন গাড়ী পাৰ হৈ গ'ল, এখনৰ উইণ্ডস্ক্ৰীনত লিখা : "প্ৰেছ", আৰু ইখনৰ কাঁচত কাগজ মাৰি হাতেৰে লিখা : "ইমাৰ্জেন্সি!"

"ইমাৰ্জেন্সি! ইমাৰ্জেন্সি!" — বিৰক্তভাৱে কৈ উঠিলোঁ, "তোমালোকৰ এই দুটি চহৰখনত চব্বিশ ঘণ্টা ইমাৰ্জেন্সি—কিহৰ ইমান ইমাৰ্জেন্সি? কি ইমাৰ্জেন্সি? ইমাৰ্জেন্সি মানে কি?"

"বাঃ, ইমাৰ্জেন্সি মানে নাজানা—জন্ম, মৃত্যু, বিবাহ—"

"আ, ক'ৰবাত আৰু এটা বাচ্ছাৰ জন্ম হৈছে, কোৱা? হৰবখৎ তো আমাৰ দেশত সেয়ে হৈছে, পিল্ পিল্ মানুহ, এইটো এটা ইমাৰ্জেন্সি? কোনোবা মৰিব ধৰিছে? কাৰোবাৰ বিয়াৰ লগ্ন পাৰ হৈ যায়? এইবোৰ কি—"

"আঃ, তুমি থামা, আৰু বকি থাকিব নালাগে—এতিয়া ৰাস্তাৰ মোৰ পৰ্যন্ত কেনেকৈ চে'ফ্‌লি যাব পাৰো সেইটো খেয়াল কৰা", অলপ বিৰক্ত হৈ শীলাই ক'লে, "তোমাক লৈ আৰু সঁচাকৈয়ে নোৱাৰি—তোমাক লৈ ভাল ঝামেলা মোৰ, নিজেতো চহৰৰ ৰাস্তাঘাট একো জানিবই নোখোজা, খালি ক্ৰিটিচাইজ্ ক্ৰিটিচাইজ্—তুমিও যে কি ৰকম"। দুয়ো বন্ধ দোকানবোৰৰ কাষে কাষে থাকি বেগ দিব ধৰিলোঁ, ৰুমালেৰে ঘাম টুকি টুকি ফোঁপাই ফোঁপাই শীলাই ক'লে, "ইমান যে তুমি এই চহৰখন বেয়া পোৱা, কিয় বাৰে বাৰে ইয়ালৈ আহি থাকা—তোমাক মই কেতিয়া মূৰৰ শপত দিছোঁ দিল্লীলৈ অহা-যোৱা কৰোঁতে মোক দেখা কৰি যাবা বুলি— চোজাচুজি দিল্লীলৈ গুচি গ'লেই পাৰা— আজিলৈকে এটা ৰাস্তা তোমাক চিনাই দিব নোৱাৰিলোঁ—এখন ট্ৰামো চিনি নাপালা কোনখন ক'লৈ যায়— মইহে তোমাক ধৰিবান্ধি ঘূৰাই লৈ ফুৰিব লাগে— কিয় ইয়ালৈ আহি থাকা মিছামিছি— যাঃ, তোমাৰ লগত পৰি আজি মোৰ এটাও কাম নহ'ব যেন পাইছোঁ—"

শীলাৰ বহুত কাম। চৌৰঙ্গীলৈ গৈ ৰাতিৰ কাৰণে চিনেমাৰ টিকেট কৰিব লাগে, তাৰ পিছত পাৰ্ক-ষ্ট্ৰীটৰ দোকান এখনৰপৰা কিবা চে'ন্ট্ এটা কিনিব লাগে (বোলে অইন ক'তো সেইটো চে'ন্ট্ নাপায়); তাৰ পিছত তাৰ কাষৰ কিবা এখন চমৎকাৰ নিৰ্জন দোকান বোলে সিহঁতে আৱিষ্কাৰ কৰিছে সিদিনা, তাত বহি বহি দুটা মিল্ক-শ্বে'ক্...

ৰাতি চিনেমাঘৰৰ সমুখত টেক্সিত বহি লৈ শীলাই ড্ৰাইভাৰক কোন পিনে যাব ক'লে বুজি নাপালোঁ, পাৰ্কষ্ট্ৰীটৰ পৰিচিত নিয়ন-ঔজ্জ্বল্য আৰু পৰিষ্কাৰ-ভূষণ সুপুষ্ট মুখবোৰ পাছত পেলাই থৈ কি চব আচহুৱা ৰাস্তাৰে টেক্সি যাব ধৰিলে, যেন চহৰতলী..... টেক্সিখনৰ মুখ উলিয়াই মই হঠাৎ কৈ উঠিলোঁ, "বাঃ, বেচ জাগাতো এইখিনি!"

মুখত ৰাতিৰ শীতল বতাহ ৰিব্‌ৰিব্‌কৈ মাৰিছে, টেক্সি দ্ৰুতবেগে চলিছে মসৃণ

বহল ৰাস্তা, এনেকুৱা জনবিৰল, যেন কলিকতা চহৰৰ অংশ নহয়, ট্ৰাম-বাচৰ ঘৰ্ঘৰ যেন কাণত নালাগে, হৈ-হাল্লা নাই, ফেৰীবালাৰ চিৎকাৰ নাই, ৰাজনীতিৰ শ্লʼগান নাই, ভিক্ষাৰী নাই, ৰিফিউজি নাই— দুয়োকাষে ওখ ওখ গছৰ পাছপিনে ঢাক খোৱা ঘৰ, ঘৰবোৰৰ সমুখত বহল কম্পাউণ্ড, অনুমান কৰিব পাৰি লʼৰা-ছোৱালীয়ে খেলে, পৰিয়ালে গ্ৰুপ-ফটʼ তোলে, সবুজ ঘাঁহনি, অʼত তʼত একোটা ঘৰৰ সমুখত একোখন গাড়ী পাৰ্ক কৰি থোৱা আছে, মাথোঁ মাজে মাজে স্বচ্ছন্দ দ্ৰুতবেগে একোখন গাড়ী পাৰ হৈ গৈছে, ওখ ওখ ফ্লৰিʼচেʼণ্ট্ লাইটবোৰৰ তলত ৰাতিৰ ৰাস্তা মুকলি, বিস্তীৰ্ণ, ইমান শান্ত, ইমান— অ—সভ্য.....

শীলাই চকিতে এবাৰ মোৰ মুখৰ পিনে চালে। মই কʼলো, "আচ্ছা, ইয়ে কৌন ৰাস্তা চৰ্দাৰজী?"

শীলাই কৈ উঠিল, "এইটো বোধহয় আমীৰ আলি এভিন্যু—"

পাঞ্জাবী ড্ৰাইভাৰে এবাৰ ঘূৰি চাই মূৰ দুপিয়ালে ঃ "হা, হোগা—চৈয়দ আমীৰ আলি এভিনিউ—"

"আমীৰ আলি এভিনিউ.....এইটো কলিকতা হয়তো?" মই কʼলোঁ—'অ, কলিকতাতেই যদি থাকিব লাগে, এনেকুৱা এটা ৰাস্তাত থাকিলে হয়তো বৰ বেয়া নালা—' অলসভাৱে কʼলোঁ "অ, ইয়াত ঘৰ টৰ কিবা এটা কৰিব পাৰিলে—"

শীলাই এবাৰ লৰালৰিকৈ মোৰ মুখৰ পিনে চালে, আৰু তাৰ পিছত সমুখলৈ চালে।

"ইয়াত এটা ঘৰ কৰিবা?" তাইৰ কণ্ঠত আগ্ৰহ, অবিশ্বাস।

মৃদু হাঁহিলোঁ। "ইয়াত? হাঃ—থাকো সূৰ্য সেন ষ্ট্ৰীটৰ হোটেলত.....ট্ৰেভ্ল্ কৰো অʼভাৰ্ক্ৰাউডেʼড ৰেলগাড়ীৰ ভিৰত.... আগে গুৱাহাটীতেই মাটি এটুকুৰা কৰোচোন-"

"গৌহাটীত মাটি কৰিবা?" —শীলাই লৰালৰিকৈ সুধিলে।

"হʼব, হʼব কেতিয়াবা—কোনে জানে", পাতলভাৱে কʼলোঁ, "বহুদিন জীয়াই থাকিম—বহুত সময় ওলাব।"

কৃত্ৰিম চিন্তাৰ সুৰত শীলাই কʼলে, "হঠাৎ যদি আকৌ তোমাৰ ডেʼথ্-উইশ্ আহি যায়?"

"ডেথ্-উইশ্?" তাইৰ চকুলৈ চালোঁ, "এতিয়া? এতিয়াই? তুমি নাজানা? পাগল নেকি—?"

শীলাই জানে, সেই চব চাইকলজিৰ সময় এতিয়া নহয়— এনেকি এইখন চহৰতো



নহয়, যʼত মই থাকিব খোজাৰ কথা শুনি হয়তো তাই আচৰিত হৈছে। অ, শীলাই জানে, কলিকতাত এৰাতি থাকিলেই মোৰ ধাৰণা হয় পলাওঁ, পলাওঁ, ইমান ৰুক্ষতা, ইমান দৈন্য, ইমান দুৰ্গন্ধ, ইমান আবৰ্জনা, ইমান দুখ-দাৰিদ্ৰ্য, ইমান ভিৰ, ট্ৰামে-বাছে মৰিয়া হৈ ওলমি ওলমি লক্ষ লক্ষ মানুহ প্ৰাণপণে চুটিছে, ধুতী ছিঙি গৈছে, চেণ্ডেল চিটিকি গৈছে, মেজাজ বিগ্‌ড়ি গৈছে সৰ্বক্ষণ, কাৰো পিনে কাৰো চাবৰ অৱকাশ নাই একদণ্ড, ইমাৰ্জেন্সি, ইমাৰ্জেন্সি, ৰাস্তাত ভিৰ ঠেলি উশাহ লʼব নোৱাৰি, ফুটপাথত খোজ দিব নোৱাৰি, দিনত ভিক্ষাৰী, বেমাৰী, ফেৰীৱালা, বেকাৰ, গুণ্ডা, শ্লʼগানৱালা, ৰিফিউজি ফেমিলি ৰাস্তাৰ ওপৰতে ৰান্ধা-বাঢ়া-নিত্যকৰ্ম, ৰাতি খোজ দিব নোৱাৰি হাজাৰ হাজাৰ মানুহ ফুটপাথত দীঘল দি শুই আছে, খালি মানুহ-মানুহ-মানুহ-মানুহ গিজ গিজ গিজ গিজ, যিপিনেই চাওঁ চিনেমা-থিয়েটাৰ-ৰাস্তা-ৰেষ্টুৰেণ্ট-অফিচ-ফুটবল ফিল্ড সৰ্বত্ৰ অকথ্য ভিৰ, ঠগবাজি, গোলমাল, গালাগালি, হাঙ্গামা, কপালৰ ৰেখা থূপ খাই থাকে, মেজাজ ত্যক্ত হৈ থাকে, কি দৈত্যাকাৰ এখন অসভ্য চহৰ— ইমান ইমান মানুহ চাৰাজীৱন ইয়াত কেনেকৈ আছে, ইয়াত কি মানুহ থাকিব পাৰে— মইতো খালি দিল্লীলৈ অহা-যোৱাৰ পথত কোনোমতে এৰাতি-দুৰাতি থাকোঁ—যাক কয় 'ব্ৰেʼক্-জাৰ্নি' কৰোঁ, বা ভ্ৰমণ-বিৰতি দিওঁ-আৰু পলাওঁ—

"কোনে জানিছিল", মই নিজমনে কʼলোঁ, 'ইয়াত লুকাই আছিল এনেকুৱা এটা গছেৰে আবৰা আমীৰ আলি এভিন্যু—"

"দুদিনৰ বাবে আহা", অভিযোগৰ সুৰত শীলাই কʼলে, "শিয়ালদহত নামি হাওড়াত উঠা, হাওড়াত নামি শিয়ালদহলৈ দৌৰা, খালি লেতেৰা ঘিঞ্জি ঠাইবোৰত অকলে অকলে ঘূৰা, সেইবোৰ ঠাইত গʼলেতো তোমাৰ বেয়া লাগিবই, খালি আপত্তি কৰা— কতবাৰ কৈছোঁ, দুই-চাৰিদিন থাকি যোৱা, তোমাক কত ঠাই দেখুৱাব পাৰিম, মই জানো তোমাৰ পছন্দ হʼবই হʼব, তোমাৰ ভাল নালাগি নোৱাৰে, মইতো জানো—"

ছোৱালী হষ্টেলটোৰ সমুখত টেক্সিৰপৰা নামি শীলাই কʼলে, "তুমি আৰু নামিব নালাগে, এইখন টেক্সিতে হোটেললৈ যোৱা— ৰাস্তা-ঘাট একোতো চিনি নোপোৱা—"

"ৰবা, ৰবা, ময়োতো নামো আগে—"

"নহয়", বাধা দি শীলাই কʼলে, "বহুত ৰাতি হৈছে, তুমি আৰু ট্ৰাম-বাছ বিচাৰি ৰাস্তাত যাকে তাকে সুধি ফুৰিব নালাগে— এইখনত বেক, কৰা—"

"দুৰ! মোক কি বুলি ভাবিছা—", জাঁপমাৰি টেক্সিৰপৰা নামিলোঁ আৰু মিটাৰটোৰ কাষলৈ গৈ জুমি চাবৰ উপক্ৰম কৰিলোঁ।

"নহয়, এনেকুৱা কৰিছা কিয়", শীলা হঠাৎ ব্যস্ত হৈ উঠিল, "মোৰোতো ৰাতি হৈছে— হষ্টেলত কি বা কয় আজি— তুমি এতিয়া এইখনতে যোৱা, লক্ষীটি—," নগে

লগে তাই হঠাৎ লাজ পোৱাৰ দৰে জিভা কাটিলে।

নিশ্চুপ হৈ থিয় দি ৰ'লোঁ, এনেকুৱা কথা তাইৰ মুখত এই প্ৰথম। সেই কেই মুহূৰ্তৰ নিস্তব্ধতাত বুজিব পাৰিলোঁ হষ্টেলৰ ভিতৰত ক'ৰবাত এটা ৰেডিঅ'ত টুং টাংকৈ চেতাৰ বাজিছে, আৰু ক'ৰবাত দূৰত, ডাঙৰ ৰাস্তাত, ৰিক্সা এখন ঠুং ঠুং শব্দ কৰি পাৰ হৈ গৈছে। দুৰ্বলভাৱে এবাৰ তাইৰ পিনে চাই টেক্সিৰ দুৱাৰখন মেলি পুনৰ নিঃশব্দে বহি পৰিলোঁ।

"চাব্-কো শিয়ালদা লে যানা—", শীলাই টেক্সি-ড্ৰাইভাৰক ক'লে। ড্ৰাইভাৰ সমুখৰ পিনে নিৰ্বিকাৰভাৱে চাই গুম্ হৈ বহি আছিল, গাড়ীৰ ইঞ্জিন বন্ধ হোৱা নাই, মূৰ জোকাৰিলে আৰু গীয়াৰত হাত দিলে। অকস্মাৎ মোৰ সম্বিত ফিৰিল, দেখিলোঁ হষ্টেলৰ পৰিচিত অবয়বটো পিছুৱাই যাব ধৰিছে, লৰালৰিকৈ ক'লোঁ, "কালি আহিম—"

"অ, কিন্তু পাঁচটাৰ পিছত। পুৱা মই শিপ্ৰাহঁতৰ লগত আকৌ ভবানীপুৰ যাব লাগিব। পাঁচটাৰ পিছত—"

মনে মনে এটা চেপা উত্তেজনা অনুভৱ কৰি বহি ৰ'লো, আৰু টেক্সি আহি চি.আই.টি ৰ'ডৰ মোৰ পোৱাৰ লগে লগে চিএঞৰি উঠিলোঁ, "চৰ্দাৰজী, ৰুখিয়ে ৰুখিয়ে—"

নামিলোঁ, ভাড়া মিটাই দিলোঁ আৰু ক'লোঁ, "ও যো বিশ নম্বৰ আতা হ্যায়, শিয়ালদা যায়েগা না—?"

"জী হা"

জাঁপ মাৰি ট্ৰামখনত উঠিলোঁ। কোনো কাৰণ নাছিল, মাথোঁ মনত হঠাৎ এটা বিৰাট স্ফূৰ্তি, এটা বেপৰোৱা উল্লাস, আৰু—হয়তো—লগে লগে কিবা এটা জেদ ঃ তাই কি মোক ইমান অপদাৰ্থ পাইছে, ৰাতি নিজে নিজে ট্ৰাম ধৰি হোটেল ওলাবগৈও নোৱাৰিম? ছোৱালীবোৰৰো যে একোটা কাণ্ড! আৰু জেদটোৰ লগে লগে কি যেন এটা আকাংক্ষা, কি যেন এটা দেখিম ট্ৰামৰ খিৰিকিৰপৰা, যিটো টেক্সিৰপৰা নেদেখোঁ—

ট্ৰাম প্ৰায় শূন্য, বিস্তৰ খালী ছীট, খিৰিকি এখনৰ কাষত বহিলোঁ, ক্ৰেং ক্ৰেং-কৈ ট্ৰাম চলিব ধৰিলে, দোকান-পাট বন্ধ হ'ব ধৰিছে, ৰাস্তা জনবিৰল আৰু যানবিৰল হৈ আহিছে, খিৰিকিৰ কাষেৰে মাজে মাজে একোখন ট্ৰাম পাৰ হৈ গৈছে—ক্ৰেং—ক্ৰেং—ঠায়ে ঠায়ে দোকানশাৰী অন্ধকাৰ, ঠায়ে ঠায়ে হঠাৎ উজ্জ্বল আলোক, এটা চিনেমাহলৰপৰা মানুহ ওলাইছে, ট্ৰামৰ তাঁৰত ঘৰ্ষণ লাগি নীলা নীলা স্ফুলিংগ (এতিয়া মন কৰিব পাৰি), আকৌ নিৰ্জন ৰাস্তা, মাজে মাজে একোখন নিয়ন-বিজ্ঞাপন, জ্বলিছে নুমাইছে, অকস্মাৎ মেটেকা-ভৰ্তি এটা পুখুৰী, ৰাতিৰ লাইটৰ পোহৰত ৰাস্তাটো ইমান বহল, ইমান ঘিচি-মিচি ট্ৰাম-লাইনৰ কাটাকাটি—লাইটৰ পোহৰত এতিয়া ঝক্‌ঝক্ কৰিছে—হা, এইবাৰ ৰাস্তাটো



অলপ অলপ চিনি পাব ধৰিছোঁ—ক্ৰেং—হঠাৎ ট্ৰামখন এটা ধাক্কা মাৰি ৰৈ গ'ল—ট্ৰিলং—ষ্টপ নেকি? অ' নহয়—সমুখত বোধহয় কিবা হৈছে— খিৰিকিৰে মুখ উলিয়াই দেখিলোঁ এইখিনি ঠাই মই চিনি পাওঁ—কেইবাদিনো টেক্সি নাপাই খোজ কাঢ়ি কাঢ়ি এইপিনে পাৰ হৈছোঁ— 'হামাম্' চাবোনৰ এখন ডাঙৰ হ'ৰ্ডিং, তাৰ তলত গথিক্ আখৰেৰে লিখা ঃ এচ্.পি.শ্ব (পি.) লিমিটেড্, কন্‌ফেক্‌শ্যানাৰ্চ্ এণ্ড জেনেৰেল অৰ্ডাৰ চাপ্লায়াৰ্চ্, তাৰ খিৰিকিত য'ত দেখা যায় কে'কৰ ট্ৰে আৰু জেম–জেলি-মাখন-পনীৰ, তাৰ শ্বাটাৰ্ নমোৱা, কিন্তু তলত দুই ইঞ্চিমান খোলা, ভিতৰত এতিয়াও লাইট জ্বলিছে, আধাআধি দেখা যায় এখন ট্ৰে'ত এটা অকলশৰীয়া ব্ৰিটেনিয়া বিস্কুটৰ পেকেট বহি আছে, হাঁহি-উঠা, দুখ-লাগা! দোকানখনৰ বাৰাণ্ডাত কেইখনমান ঠেলাগাড়ী আউজাই থোৱা আছে (দিনত নাথাকে), বাৰাণ্ডাৰ ওপৰত হিন্দুস্থানী মজুৰ জাতীয় কেইটামান মানুহ বহি লৈ খৈনী মাৰি মাৰি গল্প কৰিছে, বাৰাণ্ডাৰ খুঁটা আৰু কাষৰ লাইট প'ষ্টটোত ৰছী বান্ধি কোনোবাই এখন সৰু আঁঠুৱা তৰিছে— মনত পৰিল (কেতিয়াবা খাবৰো মন গৈছে) বাৰাণ্ডাখনৰ সমুখত দিনৰ প্ৰখৰ ৰ'দত এটা মানুহে বহি বহি পকৌড়ী আৰু বেগুনী ভাজি থাকে, তাৰ কাষত এখন ঠেং নোহোৱা মানুহ এটাই ৰাস্তাৰ হাইড্ৰেণ্ট্‌টোৰপৰা মাজে মাজে আজলি লৈ পানী খায় আৰু মাটিত পৰি শুই থাকে, বেগুনী কিনা মানুহবোৰৰ কোনোবাই কেতিয়াবা কিবা তাৰ হাতত পেলাই দি যায়, পেট ওলোৱা কেঁচুৱা এটা কোলাত লৈ এজনী কণা ভিক্ষাৰিণী হাতত টিন এটা ধৰি থিয় দি থাকে, আৰু সিহঁতক আৱৰি কেলেণ্ডাৰ কিছুমান জোকাৰি জোকাৰি ৰুক্ষ চেহেৰাৰ হাফ-পেণ্ট পিন্ধা মানুহ এটাই ৰ'দত ঘামি জামি চাৰাদিন কিবা চিঞৰে এটা মাত্ৰ বাক্য বাৰে বাৰে— বাক্যটো কি আজিলৈকে মই স্পষ্ট ধৰিব নোৱাৰিলোঁ—বেগুনীৱালাৰ ধোঁৱাই থকা চুলাটো এতিয়া ক'তো নাই (নিশ্চয় অন্য ক'ৰবাত শোৱে, ৰাতি এই ঠাইখিনি জৰুল ঠেলাৱালাকেইটাৰ দখল)— আৰু বিস্কুটৰ পেকেটটো—আঃ —ইমান নিঃসঙ্গ, তাৰ লগৰ আটাইবোৰ পেকেট গ'ল, বেচেৰা ইহে ৰৈ গ'ল এই ৰাতি এই খিৰিকিত অকলে, কোনে তাৰ হিচাব ৰাখে—কিন্তু অৱশ্যেই. বিভিন্ন মানুহৰ বিভিন্ন খাতাত তাৰ পূৰা হিচাব আছে— মেনুফেক্‌ছাৰাৰ্, চাপ্লায়াৰ্, এজেণ্ট, দোকানী—তাৰপৰা কেই পইচা লাভ হৈ কোনে কিমান পাব কড়া-ক্ৰান্তি হিচাপ কৰি থোৱা আছে—আৰু কালি হয়তো ইও নাথাকিব, কোন গোমস্তাৰ হাত পাৰ হৈ কোন গৃহিণীৰ শ্বপিংবেগত সোমাই কাৰ খোৱাটেবুলৰ প্লে'টৰপৰা কাৰ ৰসনা পৰিতৃপ্ত কৰি—ট্ৰিলং—ট্ৰামখন আকৌ চলিব আৰম্ভ কৰিছে—ক্ৰেং—ক্ৰেং—ডে'থ্ উইশ্, হাঃ! —যেন মই সৰু ল'ৰা, ট্ৰামত উঠি ৰাতি ঘৰলৈ যাবও নোৱাৰোঁ—কি যে ভাবে—মোৰ মুখত ছাঁ আৰু পোহৰ, মোৰ মুখত পোহৰ আৰু ছাঁ—লক্ষ্মীটি—অ, চেষ্টা কৰিলে এই জঘন্য চহৰতো কিজানি মেজাজ খুশ্ ৰাখি ভ্ৰমিব পাৰি—হয়তো চাৰাজীৱন থাকিও যাব পাৰি—এখন অকলশৰীয়া ৰিক্সা

পাৰ হৈ যাব ধৰিছে—ঠুং-ঠুং— "আমীৰ আলি এভিন্যু"— বেচ ৰাস্তাটো—ক্ৰেং—ক্ৰেং—লক্ষ্মীটি—লক্ষ্মীটি—

পিছদিনা পুৱা বাচত যাওঁতে যাওঁতে কাগজত পঢ়িলোঁ যে মাৰ্ক্সবাদী আৰু চচিয়েলিষ্ট দুই পাৰ্টিৰ দুটা শোভাযাত্ৰাৰ মাজত প্ৰথমে কথা-কাটাকাটি, তাৰ পিছত হাতাহাতি, তাৰ পিছত চহৰৰ ইতস্ততঃ ভাসমান ভবঘূৰে লোকৰ আৱিৰ্ভাৱ ঘটি কালিৰ হাংগামাটোৰ উদ্ভৱ হৈছিল, ৭ জন আহত, পুলিচৰ গুলীত ৩ জন নিহত.....প্ৰতিবাদত মাৰ্ক্সবাদী, ফৰৱাৰ্ড ব্লক আৰু আৰ.এচ.পি.য়ে ২৫ তাৰিখে "বন্ধৰ" আহ্বান দিছে, কিন্তু কংগ্ৰেছ, জনসংঘ, কমিউনিষ্ট আদি অন্য পাৰ্টিবোৰে তাৰ ঘোৰ বিৰোধিতা কৰিছে, গতিকে আশংকা কৰা যায় ২৫ তাৰিখে আৰু কিছুমান বিপৰ্য্যয়..... যাক্, ২৫ তাৰিখে মই দিল্লীত, ইহঁত যেনেকৈ মৰে মৰক.....মাজৰ পৃষ্ঠাত ৰেলৰ ৱেগনৰপৰা চাউল আৰু চেনি চুৰ কৰি ধৰা পৰা ল'ৰা কেইটামানৰ এখন ছবি দিছে, দলপতি যেন লগিল একমূৰ ঝাক্‌ড়া চুলিৰে ছিঙা গেঞ্জি পিন্ধা এটা পোন্ধৰ-ষোল বছৰীয়া ল'ৰা, চকুযোৰ চঞ্চল, হুচিয়াৰ, সন্দিগ্ধ, তাৰ মুখৰ ৰুক্ষ মলিনতাৰ তলত প্ৰথম-যৌৱনৰ দ্যুতি প্ৰায় সম্পূৰ্ণ লুক্কায়িত, মুখখন কিছু সময় চাই ৰ'লোঁ.... হাওড়া ষ্টেশ্যনলৈ গৈ দিল্লীৰ থাৰ্ড-ক্লাচ শ্লিপাৰ এটা ল'লোঁ, আৰু উভতি যাওঁতে বাছৰ ওপৰৰ পৰা ধৰমতলাৰ কাষৰ দোকান এখনৰ খিৰিকিত লেডীজ্ ছাতি কিছুমান দেখি মনত খেলালে নামো নেকি, কিন্তু বাছ পাৰ হৈ গ'ল, বহি ৰ'লোঁ, ভাবিলোঁ আবেলিমানে....গৰিয়াহাটাৰ মোৰত বাছৰপৰা নামিলোঁ, বন্ধু এজনক দেখা কৰিব আছে, তাৰ লগত খাই বৈ ঘূৰি আহোঁতে ভাগ্যক্ৰমে এখন টেক্সি জুটি গ'ল, প্ৰায় চাৰে বাৰটা বাজিছে.....প্ৰচণ্ড ৰ'দ....হাতৰ কাগজখন মেলি ৱেগন-ব্ৰে'কাৰ্ ল'ৰাটোৰ মুখখন আকৌ এবাৰ চালোঁ, আচৰিত হৈ মনত খেলালে তাৰ মুখখন ক্ষীণ নহয়, ভঙা নহয়, অভুক্ত নহয়, বেচ গোলমাল সুপুষ্ট সতেজ মুখ—কিন্তু কেনেকৈ, কেনেকৈ, অলসভাবে মোৰ মনত খেলাই গ'ল, নিশ্চয় কোনো মাক-বায়েকে তাৰ আগত কাঁহী সজাই নিদিয়ে কোনো শান্ত ঘৰুৱা কোঠাত....হঠাৎ টেক্সিৰ বেগ কমি গ'ল, সমুখত মানুহৰ জুম, উত্তেজিত কথা কাটাকাটি, এচ.পি.শ্ব. কন্‌ফেকশ্যনাৰ্চৰ দোকানখন পাৰ হ'ব ধৰিছোঁ, পোন হৈ বহিলোঁ, চাইনবৰ্ডখন বেঁকা হৈ ওলমি পৰিছে, বেগুনীবালাটো নাই, তাৰ চুলাটো মাটিত গড়াগড়ি গৈছে, তাৰ কয়লাবোৰ কাষত সিঁচৰতি হৈ পৰিছে, এচ.পি.শ্ব.-ৰ আৰু ওচৰ-কাষৰৰ লোহাৰ কপাটবোৰ বন্ধ, কাঁচৰ শ্ব' কে'চবোৰ কোনোবাই ভাঙি থৈ গৈছে, ৰাস্তাত কাঁচৰ টুকুৰা ছড়াছড়ি গৈছে, মানুহবোৰে ডেও দি দি ঠাইখিনি পাৰ হৈছে। কণা ভিক্ষাৰিণীজনী নাই, ঠেং নোহোৱা মানুহটো নাই, হাইড্ৰেণ্ট্‌টোৰপৰা পানী কল্‌কল্‌কৈ ফুটপাথত উপচি গৈছে, কেলেণ্ডাৰ বিক্ৰীৰ অবিৰাম চিঞৰটো আজি স্তব্ধ.....পলাল? মৰিল? গ্ৰেপ্তাৰ হ'ল?....জোতাৰ দোকানখনৰ ভঙা শ্ব'-কেচ'ত এযোৰা জোতা নাই, এচ.পি.শ্ব'ৰ ভঙা



শ্ব'-কেচ'ত মোচৰ-খোৱা কাঠৰ ট্ৰে'বোৰ বিপৰ্য্যস্ত, কালি ৰাতিৰ একমাত্ৰ বিস্কুটৰ পেকেটটো অদৃশ্য.....পুলিচে ভিৰ ঠেলিবৰ চেষ্টা কৰিছে, এখন পুলিচ জীপ আৰু বায়াৰলেচ্ ভেন, মটৰ-চাইকেলত উপবিষ্ট ট্ৰেফিক-চাৰ্জেণ্ট এজনে মোৰ টেক্সিখনক কিবা এটা নিৰ্দেশ দিছে, এজন খাকী-পিন্ধা চাব ইন্সপেক্টৰে হাত জোকাৰিজোকাৰি জুমটোক উদ্দেশ্য কৰি কিবা কৈছে.....টেক্সিৱালাই গীয়াৰ্ বদলাই পুনৰ স্পীড্ ল'ব আৰম্ভ কৰিলে, এবাৰ ঘূৰি চাই প্ৰায় স্বগতোক্তি কৰাৰ দৰে ক'লে, "এইটো ৰাস্তাত চালা ষ্টুডেণ্টৰ হামলা চলিছেতো চলিছেই— আজি পুৱা সাত-পাৰ্টি ষ্টুডেণ্ট্-ফ্ৰণ্ট্ এই পিনে বিক্ষোভ কৰি যোৱাৰ কথা আছিল— বাপেৰ পয়সায় খেয়ে দিব্যি মজা লুট্‌ছে শালাৰা—চে'কশ্যন্ হাণ্ড্ৰে'ড ৰ্বটি ফ'ৰ্ দি ঠাণ্ডা কৰি দিলেই পাৰে—"

....কিন্তু টেক্সিৱালাৰ বাকী কথাবোৰ মোৰ কাণত সোমোৱা নাই.....চকু মুদিছোঁ....যেন মধ্যাহ্নৰ প্ৰখৰ ৰ'দ শেষ হৈছে, সন্ধিয়াৰ অন্ধকাৰত কোনো একখণ্ড পানীৰ কাষেৰে টেক্সি চুটিছে (যেন পলাইছোঁ), হয়তো নদী, হয়তো কোনো লে'কৰ পাৰ.....পানীত লাইটবোৰৰ প্ৰতিবিম্ব ঢৌ খেলি খেলি দীঘল হৈ হৈ বিয়লি গৈছে—

"এইয়া আকৌ ক'লৈ আনিলা?" —মই কৈছোঁ।

"তোমাৰ জানাৰ দৰ্কাৰ নাইতো", শীলাই কৈছে, "পছন্দ হয় নে নহয় কোৱা—"

টেক্সিৰ আন্ধাৰত তাইৰ মুখ মনিব নোৱাৰি, মাথোঁ ৰাস্তাৰ লাইটে মাজে মাজে টেক্সিৰ ভিতৰত একছোপ পোহৰ পেলাই আকৌ অন্ধকাৰ কৰি গৈছে, কিন্তু তাইৰ কাপোৰৰপৰা কিবা এটা নতুন চে'ণ্টৰ মৃদু সুগন্ধিয়ে টেক্সিৰ ভিতৰখন ভৰাই পেলাইছে

"অ, ভালেই....", মই ক'লোঁ। টেক্সিৰ কাষে কাষে এখন স্কুটাৰত এহাল ডেকা-গাভৰু চলিছে, বোধহয় এংল'-ইণ্ডিয়ান, বতাহত সিহঁতৰ চুলিবোৰ আৰু ছোৱালীজনীৰ স্কাৰ্টখন ফট্‌ফট্‌কৈ উৰিছে...শ্ব'-কে'চৰ বিস্কুটৰ পেকেটটো হঠাৎ আকৌ চকুৰ আগত ভাহি উঠিব খুজি মিলি গ'ল— সকলো হিচাব-পত্ৰৰ গণ্ডগোল ঘটাই পেকেটটো হাত বাগৰি বাগৰি এতিয়া ক'ত— কোন ফুটপাথৰ কোন চোৰাইমালৰ দোকানত.....বা হয়তো, সঁচাকৈয়ে খালে কোনোবাই, হয়তো গোগ্ৰাসে, হয়তো এটা নতুন সোৱাদ, এটা আচৰুৱা সোৱাদ.... স্কুটাৰ্খন আগুৱাই গৈ অদৃশ্য হৈ গ'ল.....মই ক'লোঁ, "অ, ভালেইতো....ইয়াতো কিজানি থাকিব পাৰি ঘৰ-চৰ এটা পালে—অৱশ্যে," একমুহূৰ্ত ৰ'লোঁ, তাৰ পিছত মৰিয়াৰ দৰে ধাঁ কৰি কৈ পেলালোঁ, "অৱশ্যে অকল মোৰ পছন্দ হ'লেইতো নহ'ব—"

ভাগ্য ভাল, টেক্সিৰ ভিতৰত আন্ধাৰ, কোনেও কাৰো মুখ মনিব নোৱাৰিলোঁ। ছীটত খেপিয়াই কেপিয়াই শীলাৰ হাত এখন বিচাৰিলোঁ, যেন অনুভৱ কৰিলোঁ হাতখন চুলেই গম পাই যাম তাইৰ মুখখন ৰঙা পৰি গ'ল নে শেঁতা পৰি গ'ল (কিন্তু অৱশ্যেই,

টেক্সিত আৰু কোনো নাছিল)—

"জানা শীলা, তোমাৰ সেই ফাৰ্মাচীৰ মানুহজনৰ কথা কালিৰ পৰা মাজে মাজে মনত পৰি আছে— আমাৰ ডে'থ্ উইশৰ কথা—চাইকলজিষ্টে আমাৰ আত্মাৰ ভিতৰত ঘুকটি ঘুকটি কি বাহিৰ কৰিছে ক'ব নোৱাৰোঁ, কিন্তু এই যে আমি ঘৰৰ কথা কৈছোঁ, এয়া কি মৰিবৰ বাবে— কোনে এতিয়া মৰিব খোজে—"

আন্ধাৰত শীলাই কোনো উত্তৰ নিদি বহি ৰ'ল, মই চঞ্চল হৈ উঠিলোঁ, মই ভাবি নাপালোঁ তাইক কেনেকৈ বুজাম যে ফাৰ্মাচীৰ মানুহজনে ভুল কৰিছে, তেওঁ বুজা নাই এই সকলোবোৰ সত্ত্বেও কিয় এই মানুহবোৰে এই চহৰখনৰ মায়া এৰিব পৰা নাই, কিয় অকস্মাৎ মোৰ কোঁচখোৱা কপালৰ ৰেখা মাৰ গৈছে— তাইৰ হাতখন বিচাৰিলে মই আকৌ চঞ্চল হৈ উঠিলোঁ, মই বুজিলোঁ মই এইবোৰ একো নোৱাৰিম, হয়তো মই সদায় কৰাৰ দৰে আকৌ মাথোঁ এটা দীঘল বক্তৃতা দি বহিম.....ধাৰমান টেক্সিৰ ভিতৰলৈ আমাৰ মুখত পানীৰপৰা চেঁচা বতাহ মাৰিছে, সমুখত এখন এম্বেচেডৰ গাড়ীয়ে বেগ কমাই আনিছে, তাৰ ৰঙা বেকলাইট দুটা জ্বলিছে আৰু নুমাইছে, সেইপিনে একদৃষ্টে চাই মই কৈ গ'লোঁ, "এই যে ক্ষণে ক্ষণে হাঙ্গামা, খুন-জখম-মৃত্যু, ধাৰণা হয় যেন সকলো মৰিবলৈ উদ্যত, মাৰিবলৈ উন্মুখ—এই মিছা মিছা ঘটনা ইমান ব্যাপক, ইমান বিভিন্ন ৰূপত মিনিটে মিনিটে চকুৰ আগত আহি পৰে, এনেকুৱা এখন ভুৱা নাটক, মনত নেখেলায় যে এই ধ্বংসলীলাৰ পাছফালে আছে জীয়াই থাকাৰে দুৰ্বাৰ হেঁপাহ—এই মহানগৰীৰ হৈ-হাল্লা, পুৱাৰপৰা ৰাতিলৈ এই অজস্ৰ অজস্ৰ মানুহ ট্ৰামে-বাছে ওলমি ওলমি জীৱিকাৰ সন্ধানত ছুটিছে, সৰ্বত্ৰ ৰাস্তাই-ঘাটে অলিয়ে-গলিয়ে জীৱন সংগ্ৰামৰ প্ৰচণ্ড আৱাজ, অথচ আমাৰ মনত নেখেলায় যে ই জীয়াই থাকাৰে কথা কৈছে— হয়তো মাৰিবলৈ উন্মাদ হৈ জনতাৰ মাজলৈ খেদি গৈছোঁ হাতত ছুৰী লৈ, এনেতে ৰাইফেল লৈ দলে দলে পুলিচ আহিছে, নিজৰ প্ৰাণৰ মায়া তেতিয়া প্ৰথম কথা হৈ উঠিছে, পলাইছোঁ, পাগলৰ দৰে ছুটি পলাইছোঁ— মোৰ প্ৰাণটো বচাব লাগিব, য'ত যি পাওঁ লুটপাত কৰি গোগ্ৰাসে গিলি ল'ব লাগিব, প্ৰাণটো চলাই থাকিব লাগিব, —আজি যেনেকৈ আমি মৰাৰ কথা ভাবিব নোৱাৰোঁ, আৰু কত কি যেন আমাৰ কৰিবলগীয়া আছে, জীয়াই থকাৰ উদ্দাম বাসনা, খোৱা, প্ৰেম কৰা, ঘৰ কৰা, কতৰকমৰ ইচ্ছা, কত পৰিকল্পনা, অ, চাৰিওপিনৰ এই হাল্লা-গুল্লাই হৰ-দিন যি কৈছে সেইটো এই নহয় যে মৰিব লাগে, মাৰিব লাগে, এই অশান্তিয়ে বাৰে বাৰে কৈছে এতিয়াও যাবৰ হোৱা নাই, বহু ঘটনা ঘটিবলৈ আছে, বহু কাম বাকী আছে, এতিয়াও যাবৰ হোৱা নাই, জীয়াই থাকিব লাগিব, যেনেকৈ পাৰোঁ যিমানদিন পাৰোঁ জীয়াই থাকিব লাগিব, জীয়াই থাকিব লাগিব—"